# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-Aug-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকী কিছুসময়ৰ পিছতে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হ'ব। ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতৃবৰ্গই প্ৰকাশ কৰা অনুসৰি তেওঁক বিমান বন্দৰৰ পৰা পোনে পোনে বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনলৈ ৰাওনা হ'ব। তেওঁ বিজেপিৰ মূল সমিতিৰ সৈতে বাজপেয়ী ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। ইয়াৰ পিছত বিজেপিৰ কাৰ্যকৰ্তা সকলৰ সৈতে নৈশ আহাৰ গ্ৰহণ কৰি তেওঁ নিশাটো কইনাধৰাৰ চৰকাৰী অতিথিশালাত কটাব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাইলৈ পুৰা অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। ইয়াৰ পাছতে শ্ৰীশ্বাহে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বাবে গঠন কৰা মূল সমিতিৰ দ্বিতীয়খন বৈঠকত অংশগ্ৰহণ কৰে। অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইনেও অংশগ্ৰহণ কৰা এই বৈঠকত শতবৰ্ষ উদযাপনৰ পৰিকল্পিত কাৰ্যসূচী সমূহৰ বিষয়ে আলোচনা কৰা হয়। অহা ৮ ছেপ্তেম্বৰৰ পৰা হবলগীয়া শতবৰ্ষ উদযাপন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বিষয়েও বৈঠকত পৰ্যালোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উদযাপন কাৰ্যসূচীৰ সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সংশ্লিষ্ট বিষয়া সকলক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে , প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা ১৩ ছেপ্তেম্বৰত হবলগীয়া শতবাৰ্ষিকী উদযাপনৰ মুখ্য কাৰ্যসূচীত অংশ লৈ বিশ্ববৰেণ্য শিল্পী গৰাকীক সন্মান জনাব। এইবাৰ অৰুণাচল প্ৰদেশ চৰকাৰেও সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উদযাপনৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি খনি আৰু খনিজ পদাৰ্থ বিজ্ঞান বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ দ্বিতীয় এডভাণ্টেজ আছাম সন্মিলনত স্বাক্ষৰিত বুজাবুজি চুক্তিবোৰৰ পৰ্যালোচনা কৰে। বৈঠকত এডভাণ্টেজ আছামত দিয়া প্ৰতিশ্ৰুতি সমূহ বাস্তৱত পৰিণত কৰাৰ ক্ষেত্ৰত বৰ্তমানলৈ হোৱা অগ্ৰগতিৰ  মূল্যায়ন সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

তিনিচুকীয়াৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী পেঙেৰিত আজিৰে পৰা তিনিদিনীয়া দুৰ্যোগ প্ৰশমনৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক ভাস্কৰ ডেকাই ডিগবৈৰ টি চি ডি চি চিৰ অধীনত পেঙেৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই শিবিৰৰ নেতৃত্ব দিছে। এই শিবিৰত দুৰ্যোগৰ সময়ত ল'ব লগা সাৱধানতা, উদ্ধাৰ কাৰ্য আৰু কৰণীয় কাম-কাজৰ বিষয়ে প্ৰশিক্ষণ দিয়া হৈছে। বিদ্যালয়খনৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে শিবিৰত অংশগ্ৰহণ কৰিছে।

০০০০০

নগাঁৱৰ কলং পাৰৰ ভূমিত উচ্ছেদ অভিযান চলিব আৰু ইয়াৰ বাবে শীঘ্ৰে জাননী প্ৰেৰণ কৰা হ'ব। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি নাৰেৰে কলঙৰ অবৈধভাৱে দখল কৰা অঞ্চল পৰিদৰ্শন কৰি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে অবৈধভাৱে দখল কৰা অঞ্চলসমূহ নিৰ্দিষ্ট সময়ত খালী নকৰিলে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কলঙৰ মাটি ম্যাদী কৰাক লৈ আশ্চৰ্য প্ৰকাশ কৰি জিলা আয়ুক্তগৰাকীয়ে নৈখন প্ৰদূষিত কৰাসকলক সকিয়াই দিয়ে। আয়ুক্তগৰাকীয়ে শৌচালয়ৰ টেংকি আঁতৰাই নিনিলে এনে লোক গ্ৰেপ্তাৰ পৰ্যন্ত হ'ব পাৰে বুলি মন্তব্য কৰে।

০০০০০

মন্ত্ৰী অশোক সিংহালে আজি শোণিতপুৰ জিলাৰ প্ৰথমটো সমজিলা আৰক্ষী অধীক্ষক কাৰ্য্যালয় মুকলি কৰে। ঢেকীয়াজুলিৰ ভোটপাৰাত এই উপলক্ষে আয়োজিত সভাত অংশ লৈ তেওঁ কয় যে, আৰক্ষী প্ৰশাসনে নিষ্ঠাৰে কাম কৰাৰ বাবে আজি ৰাজ্যত অপৰাধৰ সংখ্যা হ্ৰাস পাইছে। সমাজৰ অপশক্তি আৰু অপৰাধ চক্ৰৰ বিৰুদ্ধে ৰাইজ একত্ৰিত হব লাগিব বুলি তেওঁ ভাষণত উল্লেখ কৰে। ৰাজ্যত দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ স্থান নাই বাবে আজি বৰ্হিৰাজ্যত আৰক্ষী আহি অসমত প্ৰশিক্ষণ লৈছে বুলি তেওঁ কয়। জাতি-মাটি-ভেটি সভ্যতা-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত বিজয়ী নোহোৱালৈকে যুঁজ চলি থাকিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

সমাপ্ত